# REGIONAL NEWS UNIT
AKASHVANI, GUWAHATI
0000000000

**Date :** 14-05-2024
**Time :** 1715 Hrs

## *Assamese Evening Bulletin*

**- - - - - - -**

বিজেপিৰ জ্যেষ্ঠ নেতা তথা প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি বাৰানসী সমষ্টিৰ পৰা তেওঁৰ মনোনয়ন পত্ৰ দাখিল কৰিছে। লোকসভা নিৰ্বাচনৰ সপ্তম পৰ্যায়ত অহা ১ জুনত এই সমষ্টিটোৰ বাবে ভোটগ্ৰহণ কৰা হ'ব আৰু এই পৰ্যায়ৰ বাবে আজি হৈছে মনোনয়ন পত্ৰ দাখিলৰ অন্তিম দিন। আজি পুৱা শ্ৰী মোদীয়ে পৱিত্ৰ গংগাত স্নান কৰি কাশীৰ কালভৈৰৱ মন্দিৰত পূজা-অৰ্চনা কৰি আশীৰ্বাদ লোৱাৰ পাছত তেওঁৰ মনোনয়ন দাখিল কৰে। মনোনয়ন দাখিলৰ সময়ত বিজেপিৰ ৰাষ্ট্ৰীয় সভাপতি জে পি নাড্ডা, দলৰ জ্যেষ্ঠ নেতা ৰাজনাথ সিং আৰু হৰদীপ সিং পুৰীকে ধৰি মিত্ৰজোঁটৰ- চন্দ্ৰবাবু নাইডু, একনাথ সিন্দে, জিতন ৰাম মাঝি, সঞ্জয় নিশ্বাদ, ৰামদাস আঠাৱালে প্ৰমুখ্যে কেইবাগৰাকীও নেতা উপস্থিত থাকে। এই কাৰ্যসূচীত উত্তৰ প্ৰদেশৰ মুখ্যমন্ত্ৰী যোগী আদিত্যনাথও উপস্থিত থাকে।

কংগ্ৰেছ নেতৃত্বাধীন বিৰোধী আই এন ডি আই মিত্ৰজোঁটৰ উমৈহতীয়া প্ৰাৰ্থী অজয় ৰায় শ্ৰীমোদীৰ বিৰুদ্ধে প্ৰতিদ্বন্দ্বিতা কৰিব। ২০১৪ আৰু ২০১৯ চনৰ লোকসভা নিৰ্বাচনত শ্ৰীমোদীৰ বিৰুদ্ধে বাৰানসীৰ পৰা প্ৰতিদ্বন্দ্বিতা কৰা উত্তৰ প্ৰদেশ কংগ্ৰেছৰ মুৰব্বী শ্ৰী ৰায় দুয়োটা নিৰ্বাচনতে তৃতীয় স্থানত থাকে। ২০১৯ চনৰ নিৰ্বাচনত প্ৰধানমন্ত্ৰী মোদীয়ে সমাজবাদী পাৰ্টীৰ শালিনী যাদৱক ৪ লাখ ৭৯ হাজাৰৰো অধিক ভোটৰ ব্যৱধানত পৰাজিত কৰিছিল।

০০০০০

দেশত পঞ্চম, ষষ্ঠ আৰু সপ্তম পৰ্যায়ৰ লোকসভা নিৰ্বাচনৰ বাবে ব্যাপক প্ৰচাৰ অভিযান অব্যাহত আছে। পঞ্চম পৰ্যায়ত ২০ মে'ত হ'বলগীয়া নিৰ্বাচনৰ প্ৰচাৰ অভিযানৰ সামৰণিলৈ মাজত ৩টা দিন বাকী থকা অৱস্থাত বিভিন্ন ৰাজনৈতিক দলৰ শীৰ্ষ নেতাসকলে প্ৰচাৰ তীব্ৰতৰ কৰি তুলিছে। এই পৰ্যায়ত ৪৯টা লোকসভা সমষ্টিত ভোটগ্ৰহণ কৰা হ'ব। ২৫ মে'ত ষষ্ঠ পৰ্যায়ত ৫৭টা আৰু ১ জুনত সপ্তম পৰ্যায়ত আৰু ৫৭টা লোকসভা সমষ্টিৰ বাবে ভোটগ্ৰহণ কৰা হ'ব। বিজেপিৰ জ্যেষ্ঠ নেতা তথা কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহে আজি পশ্চিমবংগৰ বনগাঁও লোকসভা সমষ্টিত নিৰ্বাচনী প্ৰচাৰ সভাত অংশ লয়। অনুষ্ঠানত অংশ লৈ শ্ৰীশ্বাহে জনসাধাৰণক প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী তৃতীয়বাৰৰ বাবে প্ৰধানমন্ত্ৰীৰ আসনত অধিষ্ঠিত কৰোৱাৰ বাবে জনসাধাৰণক এন ডি এক ভোটদান কৰিবলৈ আহ্বান জনায়। তেওঁ চতুৰ্থ পৰ্যায়লৈকে নিৰ্বাচন অনুষ্ঠিত ৩৮০খন আসনৰ ভিতৰত এন ডি এয়ে ২৭০খন আসন লাভ কৰিব বুলি মন্তব্য কৰে। ইফালে দলৰ ৰাষ্ট্ৰীয় সভাপতি জে পি নাড্ডাই আজি উত্তৰ প্ৰদেশৰ আমেঠিত আয়োজিত এখন জনসভাত অংশ লয়।

কংগ্ৰেছৰ দলৰ ৰাষ্ট্ৰীয় সভাপতি মল্লিকাৰ্জুন খাৰ্গেই আজি উত্তৰ প্ৰদেশৰ বাঁশ গাঁৱত আয়োজিত জনসভাত অংশগ্ৰহণ কৰে। নিজৰ ভাষণত তেওঁ কয় যে, কংগ্ৰেছ নেতৃত্বাধীন আই এন ডি আই মিত্ৰজোঁট ক্ষমতালৈ আহিলে কৃষকৰ ঋণ ৰেহাই দিয়াৰ লগতে কৃষি খণ্ডৰ পৰা জি এছ টি আঁতৰোৱা হ'ব বুলি উল্লেখ

কৰে। কংগ্ৰেছ দলৰ নেত্ৰী প্ৰিয়ংকা গান্ধীয়ে আজি উত্তৰ প্ৰদেশৰ আমেঠিত জনসভাত অংশগ্ৰহণ কৰি প্ৰচাৰ অভিযান চলায়। ইপিনে আম আদমী পাৰ্টীৰ নেতা অৰবিন্দ কেজৰিৱালে আজি হাৰিয়ানাৰ কুৰুক্ষেত্ৰত এটা ৰোড শ্ব'ত অংশ লয়।

মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই আজি উড়িশাৰ ভূবনেশ্বৰত এখন জনসভাত অংশ লয়। নিজৰ ভাষণত মুখ্যমন্ত্ৰীয়ে দেশক প্ৰগতিৰ পথত আগবঢ়াই নিয়াৰ বাবে এন ডি এক সমৰ্থন কৰিবলৈ জনসাধাৰণক আহ্বান জনায়।

০০০০০

অসম তথা উত্তৰ পূৰ্বাঞ্চলৰ পৰা এইবাৰ ৩ হাজাৰ ৭০৮ গৰাকী হজযাত্ৰী হজ যাত্ৰাৰ বাবে ৰাওনা হ'ব। পৰহিলৈ গুৱাহাটী লোকপ্ৰিয় গোপীনাথ বৰদলৈ আন্তঃৰাষ্ট্ৰীয় বিমানবন্দৰৰ পৰা হজযাত্ৰীৰ প্ৰথমটো দল মক্কা অভিমুখে যাত্ৰা কৰিব। আজি গুৱাহাটীৰ হাজি মুছাফিৰখানাত আয়োজিত এখন সংবাদমেলত যুটীয়া ৰাজ্যিক হজ সমিতিৰ অধ্যক্ষ নেকিবুৰ জামানে এই বিষয়ে প্ৰকাশ কৰে। তেওঁ কয় যে, হজ যাত্ৰা কৰিবলগীয়া যাত্ৰীসকলৰ ভিতৰত ৩ হাজাৰ ৬৫৮ গৰাকী অসমৰ হোৱা বিপৰীতে ৩৬ গৰাকী মেঘালয়ৰ আৰু ৭ গৰাকীকৈ নাগালেণ্ড আৰু অৰুণাচল প্ৰদেশৰ লোক। অহা ২৫ মে' পৰ্যন্ত যাত্ৰীসকল হজ যাত্ৰাৰ বাবে পৰ্যায়ক্ৰমে ৰাওনা হ'ব। আজি সংবাদমেলত অধ্যক্ষ জামানে কয় যে, হজ যাত্ৰীসকলৰ সুবিধাৰ বাবে কেন্দ্ৰীয় হজ সমিতিয়ে হজ সুবিধা এপ নামৰ এটা মোবাইল এপ্লিকেশ্বনৰ ব্যৱস্থা কৰিছে। এই এপৰ সহায়ত যাত্ৰীসকলে হজ সম্পৰ্কীয় সকলো তথ্য ঘৰতে বহি লাভ কৰিব পাৰিব বুলি তেওঁ কয়।

০০০০০

আই পি এল ক্ৰিকেট প্ৰতিযোগিতাত আজি দিল্লীৰ অৰুণ জেটলি ষ্টেডিয়ামত হ'বলগীয়া এখন খেলত লক্ষ্ণৌ ছুপাৰ জায়েণ্টছ দেলহী কেপিটেলছৰ সন্মুখীন হ'ব। খেলখন সন্ধিয়া চাৰে ৭ বজাত আৰম্ভ হ'ব।

আনহাতে, গুৱাহাটীৰ বৰ্ষাপাৰাৰ এ চি এ ষ্টেডিয়ামত কাইলৈ ৰাজস্থান ৰয়েলছ আৰু পাঞ্জাব কিংছৰ মাজত হ'বলগীয়া খেলখনৰ বাবে যাৱতীয় প্ৰস্তুতি প্ৰায় সম্পূৰ্ণ হৈছে। পাঞ্জাব কিংছৰ দলটো দেওবাৰে গুৱাহাটীলৈ অহাৰ বিপৰীতে ৰাজস্থান ৰয়েলছ কালি বিয়লি গুৱাহাটীত আহি উপস্থিত হয়। আজি দুয়োটা দলেই বৰ্ষাপাৰাৰ ষ্টেডিয়ামত অনুশীলন কৰাৰ পাছত ৰাজস্থান ৰয়েলছৰ দলটোৱে এখন সংবাদ মেলত অংশ লয়। গুৱাহাটীত হ'বলগীয়া দুয়োখন খেলৰ বাবে অনুৰাগীসকলৰ মাজত ব্যাপক উৎসাহ-উদ্দীপনা দেখা গৈছে।

০০০০০

সমাপ্ত